**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-March-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰাত আজি প্ৰথমখন চৰকাৰী অৰ্কিড উদ্যান মুকলি কৰা হ'ব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কৃষি, উদ্যান শস্য আদি বিভাগৰ মন্ত্ৰী অতুল বৰা উপস্থিত থাকিব। এই উদ্যান দেশ-বিদেশৰ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত হোৱাৰ সম্ভাৱনা আছে। প্ৰথম পৰ্যায়ত ১৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই অৰ্কিড উদ্যানত ৯০০ বিধতকৈও অধিক দেশী-বিদেশী প্ৰজাতিৰ অৰ্কিড সংৰক্ষণ কৰা হৈছে। ২০ বিঘা ভূমিত নিৰ্মাণ কৰি উলিওৱা উদ্যানখনত ৫০০ খন আসনযুক্ত সাংস্কৃতিক মঞ্চ, পৰ্যটন নিবাস, শিশু উদ্যান, প্ৰশাসনিক ভৱন, থলুৱা খাদ্যৰ ভোজনালয় আদিৰ ব্যৱস্থা আছে। ইয়াত অসমৰ স্থাপত্য, ঐতিহ্য সংৰক্ষণৰ দিহা কৰা হৈছে। এই অৰ্কিড উদ্যানৰ জৰিয়তে স্থানীয় লোকসকলে আৰ্থিক উন্নয়নৰ সুযোগ লাভ কৰিব বুলি আশা কৰা হৈছে।

oooooo

শিৱসাগৰ জিলাৰ চেৰেকাপাৰত কালি বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আতন বুঢ়াগোহাঞিৰ মৈদাম সংৰক্ষণৰ বাবে নিৰ্মাণ কৰা পকীবেৰ উদ্বোধন কৰে। টাই-আহোম উন্নয়ন পৰিষদৰ ৪৫ লাখ টকাৰ আৱণ্টিত পুঁজিৰে এই বেৰ নিৰ্মাণ কৰা হৈছে। এই অনুষ্ঠানৰ পাছতে মন্ত্ৰীগৰাকীয়ে চেৰেকাপাৰত টাই-আহোম উন্নয়ন পৰিষদৰ এক কোটি ২৮ লাখ টকা ব্যয়ৰে নিৰ্মিত চুকাফা ভৱনো উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে পৰ্যায় ক্ৰমে অঞ্চলটোৰ ঐতিহাসিক সম্পদসমূহৰ বিজ্ঞানসন্মত সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব বুলি উল্লেখ কৰে।

(বাইট)

oooooo

ৰাজ্যৰ প্ৰান্তে প্ৰান্তে কালিৰে পৰা পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে দৌল উৎসৱ উদযাপন কৰা হৈছে। পৰস্পৰক আবিৰৰ ৰং সানি ফাকুৱা উদযাপন কৰিবলৈ সকলো সাজু হৈছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে দৌল উৎসৱক কেন্দ্ৰ কৰি উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। বৰপেটা সত্ৰত কালি সন্ধিয়া গন্ধযাত্ৰাৰে পাঁচ দিনীয়া দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি বটদ্ৰৱা সত্ৰত কালিৰেপৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। কালি গন্ধোৎসৱেৰে আৰম্ভ কৰি পৰম্পৰাগত ৰীতি-নীতিৰে গোসাঁইক কীৰ্তনঘৰৰ পৰা উলিয়াই আনি নোওৱাৰ পাছত নতুন আসনত স্থাপন কৰি ৰাম ধেমালি পৰিৱেশন কৰা হয়। আজি গোসাঁইৰ মূৰত ফাকু দিয়াৰ পৰা আৰম্ভ কৰি ৰাজ্যৰ ভিন ভিন প্ৰান্তৰ পৰা অহা ভক্ত-বৈষ্ণৱৰ নাম-কীৰ্তন আদি কাৰ্যসূচীৰ পাছত কাইলৈ গোসাঁইৰ ৰভাতলৰ পৰা উলিয়াই দৌললৈ যাত্ৰা কৰা হ'ব।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰিবলৈ লোৱা হৈছে। যোৱা নিশা মেষদাহ পৰ্বৰে এই উৎসৱৰ আৰম্ভণি হয়। ৬ মাৰ্চত উৎসৱৰ সামৰণি পৰিব।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত কালিৰে পৰা ফল্গুৎসৱৰ আয়োজন কৰা হৈছে।

কোচবিহাৰৰ ইতিহাস প্ৰসিদ্ধ মধুপুৰ সত্ৰতো কালিৰে পৰা দৌল উৎসৱ পালন কৰা হৈছে। কালি গন্ধযাত্ৰাৰ লগতে সত্ৰৰ চৌহদত সাজি উলিওৱা ভেলাঘৰত অগ্নিসংযোগ কৰি ৰাইজৰ মংগল কামনা কৰা হয়। আজি গোসাঁইৰ সন্মুখত নাম প্ৰসংগ আৰু পৰিহলৈ গোসাঁইক লৈ শোভাযাত্ৰা কৰা হ'ব।

গোৱালপাৰা জিলাতো দৌল উৎসৱ উপলক্ষে জনসাধাৰণৰ মাজত আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ৰংজুলিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত কালিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে এই উৎসৱ অনুষ্ঠিত হৈছে। গোৱালপাৰাৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ আৰু পশ্চিম গোৱালপাৰাৰ কেৰলীয়া হাটী সত্ৰত কালি অধিবাস আৰু সান্ধ্য কীৰ্তনেৰে ৫ দিনীয়া দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হয়।

গুৱাহাটী মহানগৰীতো দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। মহানগৰীৰ বজাৰসমূহ ৰং-বিৰঙী ফাকুগুৰী, ৰং আৰু ফাকুৱাৰ বিভিন্ন সামগ্ৰীৰে ভৰি পৰিছে। ফাকুৱা উপলক্ষে কামৰূপ মহানগৰ জিলাৰ লগতে বিভিন্ন জিলা প্ৰশাসনে কাইলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দৌল উৎসৱ উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাযোগে প্ৰকৃতি আৰু আধ্যাত্মিকতাৰে সংপৃক্ত এই সময়ে অসুয়া অপ্ৰীতি নাশি সকলোৰে জীৱন আনন্দময় কৰি তুলিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

আজি বিশ্ব বন্যপ্ৰাণী দিৱস। বন্য প্ৰাণী সংৰক্ষণৰ গুৰুত্ব আৰু  বিলুপ্ত প্ৰাণীসমূহে বিশ্বজুৰি সন্মুখীন হোৱা প্ৰত্যাহ্বান সন্দৰ্ভত সচেতনতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে তিনি মাৰ্চ তাৰিখে বিশ্ব বন্যপ্ৰাণী দিৱস উদযাপন কৰা হয়।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীক বিশ্ব বন্যপ্ৰাণী দিৱসৰ শুভেচ্ছা জনোৱাৰ লগতে বন্যপ্ৰাণীসমূহ যাতে ভৱিষ্যৎ প্ৰজন্মৰ বাবে সমৃদ্ধ হৈ থাকিব পাৰে, তাৰবাবে সকলোকে প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ আহ্বান জনাইছে।

ইপিনে, বিশ্ব বন্যপ্ৰাণী দিৱসত আজি ৰাজ্যৰ বন বিভাগত ১৪৩ খন নতুন বাহনৰ সংযোজন কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নতুন বাহনৰ মুকলি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই উপলক্ষে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি বিয়লি আয়োজিত অনুষ্ঠানত পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়েও অংশগ্ৰহণ কৰিব।

০০০০০০

বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত কালি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত ৰিটাৰ্নিং বিষয়া আৰু সহকাৰী ৰিটাৰ্নিং বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন হয়। এই প্ৰশিক্ষণত জিলা আয়ুক্ত তথা নিৰ্বাচনী বিষয়া বিক্ৰম কৈৰীয়েও অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলৰ সৈতে নিৰ্বাচনী ব্যয় নিৰীক্ষণ সমিতিৰ এখন বৈঠকো অনুষ্ঠিত হয়।

০০০০০০

**সমাপ্ত**